# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-02-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশখনে সততে সন্মুখীন হোৱা সমস্যাসমূহ উদ্ভাৱনীমূলক আভিযান্ত্ৰিক পদ্ধতিৰে সমাধান কৰিবৰ বাবে বিজ্ঞানক অধিক গুৰুত্ব দিবলৈ যুৱচামক আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰলৈ যাব।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া কাৰ্যসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈ অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাসমূহ প্ৰদান কৰিব।

৪। ৰাষ্ট্ৰীয় লোকদলে বিৰোধী মিত্ৰজোঁটৰ সৈতে সম্পৰ্ক ছিন্ন কৰি শাসকীয় এন ডি এ মিত্ৰজোঁটত যোগদান কৰাৰ কথা ঘোষণা কৰিছে।

**আৰু**

৫। টেনিছত ভাৰতৰ সুমিত নাগালে প্ৰথমবাৰৰ বাবে এ টি পি একক ৰেংকিঙত শীৰ্ষ ১০০ গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰিছে। ০০০০০

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশখনে সততে সন্মুখীন হোৱা সমস্যাসমূহ উদ্ভাৱনীমূলক আভিযান্ত্ৰিক পদ্ধতিৰে সমাধান কৰিবৰ বাবে বিজ্ঞানক অধিক গুৰুত্ব দিবলৈ যুৱচামক আহ্বান জনাইছে। ছুৰাটত অনুষ্ঠিত চৰ্দাৰ বল্লভভাই ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ২০ সংখ্যক সমাৱৰ্তনত ভাষণ দি কালি ৰাষ্ট্ৰপতিগৰাকীয়ে এই আহ্বান জনায়। তেওঁ কয় যে, ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাৰ সমান্তৰালকৈ জাতি নিৰ্মাণ আৰু বিকশিত ভাৰতৰ লক্ষ্য স্পৰ্শ কৰিব পৰাকৈ ছাত্ৰ অৱস্থাৰ পৰাই আত্মনিয়োগ কৰা উচিত। কৃত্ৰিম বুদ্ধিমত্তাৰ খণ্ডত দেশ যাতে আৰু আগুৱাই যাব পাৰে তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়টো আকোঁৱালী ল'ব লাগে। মহিলা সৱলীকৰণৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভভাই ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ অৱদানৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ২০৪৭ চনৰ ভিতৰত ভাৰতৰ উন্নয়নৰ সপোন পূৰণ কৰাৰ ক্ষেত্ৰত মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ২৮ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক স্বৰ্ণ পদক প্ৰদান কৰে। সমাৱৰ্তনত প্ৰায় এহাজাৰ ৪৩৪ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ধৰমপুৰৰ শ্ৰীমদ্ ৰাজচন্দ্ৰ আশ্ৰম পৰিদৰ্শন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত উপস্থিত হ'ব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে দেশখনৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতা অধিক গভীৰ, ব্যাপক

আৰু শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আলোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত মত-বিনিময় কৰিব। এয়া হৈছে বিগত ৮ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু সংযুক্ত আৰৱ আমিৰিৰ ৰাষ্ট্ৰপতিৰ মাজৰ পঞ্চমখন বৈঠক। নতুন দিল্লীত বৈদেশিক সচিব বিনয় মোহন কোৱাট্ৰাই সংবাদ মাধ্যমক কয় যে, প্ৰধানমন্ত্ৰীগৰাকীয়ে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতেও বৈঠকত মিলিত হোৱাৰ লগতে ডুবাইত অনুষ্ঠিত হ'বলগীয়া বিশ্ব প্ৰশাসনীয় সন্মিলন ২০২৪ত অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবু ধাবিৰ প্ৰথমটো হিন্দু মন্দিৰ- বোচাচাংৰাসী অক্ষৰ পুৰুষোত্তম স্বামী নাৰায়ণ সংস্থা মুকলি কৰিব। ইয়াৰ পিছতে আবু ধাবিৰ জায়েদ স্পৰ্টছ্ চিটীত অনুষ্ঠিত এটা অনুষ্ঠানত দেশখনত থকা ভাৰতীয় সমাজক প্ৰধানমন্ত্ৰীগৰাকীয়ে সম্বোধন কৰিব। উল্লেখযোগ্য যে ২০১৫ চনৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এয়া হৈছে সপ্তমটো আৰু বিগত ৮ মাহৰ ভিতৰত তৃতীয়টো সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, ভাৰত আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰই শক্তিশালী ৰাজনৈতিক, সংস্কৃতিক আৰু অৰ্থনৈতিক সংযোগেৰে দেশ দুখনৰ সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিছে। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণৰ পিছত দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কই নতুন মাত্ৰা লাভ কৰিছিল। সংযুক্ত আৰৱ আমিৰি ভ্ৰমণ সম্পূৰ্ণ কৰাৰ পিছত কাইলৈ বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাটাৰৰ দোহাত উপস্থিত হ'ব। বৈদেশিক সচিবগৰাকীয়ে জনোৱা মতে এই সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাডৰ সৈতে দ্বিপাক্ষীক বৈঠকত মিলিত হ'ব।

কাটাৰৰ পৰা ভাৰতীয় নৌসেনাৰ প্ৰাক্তন ৮জন সৈনিকক মুকলি কৰি দিয়াৰ সন্দৰ্ভত সংবাদমাধ্যমৰ এটা প্ৰশ্নৰ উত্তৰত বৈদেশিক সচিব বিনয় মোহন কোৱাট্ৰাই কাটাৰ চৰকাৰৰ এই সিদ্ধান্তৰ শলাগ লয়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে এই গোচৰৰ সকলো পৰিঘটনা তদাৰক কৰি আহিছিল আৰু ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত কৰিব পৰা কোনো কামৰ পৰা কেতিয়াও পিছ হুহকি অহা নাই।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া কাৰ্যসূচীৰে আজি গুৱাহাটীলৈ আহিব। গুৱাহাটীত তেওঁ বিয়লিৰ ভাগত অনুষ্ঠিত হ'বলগীয়া এটা অনুষ্ঠানত অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাসমূহ প্ৰদান কৰিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বিভিন্ন খণ্ডৰ পৰা ২২ গৰাকী বিশেষ ব্যক্তিক তেওঁলোকে নিজ নিজ ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰিব। ৰাজ্যসভাৰ সাংসদ তথা ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈক ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক বঁটা অসম বৈভৱ প্ৰদান কৰা হ'ব। অসম সৌৰভ বঁটা ড০ কিষাণ চান্দ নোৰিয়াল, এলভিছ আলী হাজৰিকা, হিমা দাস আৰু নাদিৰাম দেউৰীক প্ৰদান কৰা হ'ব। একেদৰে অসম গৌৰৱ বঁটা ৰঞ্জিত গগৈ, পাৰ্বতি বৰুৱা, দেৱজিত চাংমাই, দ্ৰোণ ভূঞা, নিলন দত্ত, অনুপমা ডেকা, সৌম্যদ্বীপ দত্ত, বসন্ত চিৰিং ফুকন, মনেন্দ্ৰ ডেকা, মিনাক্ষী চেতিয়া, পখিলা লেখতেপী, টেনজিং বড়োচা, নিৰ্মল ডে', জেচিন কুম্বাং পাও, মেৰি হাচা, উপেন্দ্ৰ ৰাভা আৰু ৰাহুল গুপ্তাক প্ৰদান কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় লোক দল চমুকৈ আৰএলডিয়ে বিৰোধী মিত্ৰজোঁটৰ সৈতে সম্পৰ্ক ছিন্ন কৰি শাসকীয় এন ডি এ মিত্ৰজোঁটত যোগদান কৰাৰ কথা ঘোষণা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত দলটোৰ

মুৰব্বী জয়ন্ত চৌধুৰীয়ে কয় যে, তেওঁৰ দলে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ মংগল সাধনৰ উদ্দেশ্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে, দলৰ সকলো বিধায়ক আৰু নেতা কৰ্মীৰ সৈতে আলোচনা কৰি এই সিদ্ধান্ত লোৱা হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙলৈ ভাৰত ৰত্ন ঘোষণা কৰাৰ পিছত তেওঁলোক অতি সুখী আৰু এয়া দেশৰ কৃষক, যুৱ আৰু দৰিদ্ৰ লোকসকলৰ বাবে সন্মান বুলিও দলটোৰ মুৰব্বীগৰাকীয়ে মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে কৈছে যে, ভাৰতৰ আধ্যাত্মিক পৰ্যটনৰ ক্ষেত্ৰত ভৱিষ্যতে বিনিয়োগৰ ব্যাপক সম্ভাৱনা আছে। নতুন দিল্লীত কালি অনুষ্ঠিত হোৱা **হোটেল এছ'চিয়েছন অফ ইণ্ডিয়াৰ** ষষ্ঠ সমাৱৰ্তনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। তেওঁ কয় যে, সমগ্ৰ দেশতে কাশী ক'ৰিডৰ, মহাকাল ক'ৰিডৰ আৰু অযোধ্যাৰ ৰাম মন্দিৰৰ দৰে আধ্যাত্মিক প্ৰকল্পসমূহে যথেষ্ট সংখ্যক পৰ্যটকক আকৰ্ষণ কৰিছে আৰু স্থানীয় অৰ্থনীতি উন্নয়নত সহায় কৰিছে। দেশৰ পৰ্যটন ক্ষেত্ৰ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি তেওঁ কয় যে, শেহতীয়া অন্তৰ্বৰ্তীকালীন বাজেটত চৰকাৰে আন্তঃগাঁথনি খণ্ডলৈ ১১ লাখ কোটি টকাৰ আৱণ্টন দিছে। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চহৰসমূহত পৰ্যটন আৰু আতিথ্যৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি পাইছে। সমান্তৰালকৈ দুঃসাহসিক ক্ৰীড়া, চিকিৎসা পৰ্যটন, বিবাহ, প্ৰাকৃতিক পৰিৱেশ আদিয়ে অগতানুগতিক পৰ্যটনস্থলীসমূহ পৰ্যটকৰ বাবে অধিক আকৰ্ষণীয় কৰি তুলি পাৰে বুলিও কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

ooooo

সৰ্বভাৰতীয় উদ্যোগ সন্থা এ আই এ আইয়ে কাটাৰৰ কাৰাগাৰত বন্দী হৈ থকা ভাৰতীয় প্ৰাক্তন নৌসেনাৰ আঠজন সৈনিকক সফলতাৰে ঘূৰাই অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাইছে। এটা বিবৃতিযোগে সন্থাৰ অধ্যক্ষ ড০ বিজয় কলন্তৰীয়ে কয় যে, প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত হস্তক্ষেপে এই অসম্ভৱ কামটো সম্ভৱ কৰি তুলিলে। তেওঁ লগতে কয় যে শ্ৰী মোদীৰ কূটনীতি আৰু ভাৰতৰ বৈদেশিক সম্পৰ্কৰ ব্যৱস্থাপনা শীৰ্ষ স্থানত আছে আৰু এয়া যথেষ্ট গৌৰৱৰ বিষয়।

ooooo

মণিপুৰত স্পৰ্শকাতৰ অঞ্চলত দুটা সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ অব্যাহত আছে। কালি সংঘটিত হোৱা এটা গুলীয়াগুলীৰ ঘটনাত গুলীবিদ্ধ হোৱা এজন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়া মতে ছাগোলমাং থানাৰ অন্তৰ্গত টাংছাং পাহাৰ এলেকাত এই ঘটনা সংঘটিত হৈছে। পুৱাৰে পৰা অঞ্চলটোত গুলীবৰ্ষণৰ শব্দ শুনিবলৈ পোৱা গৈছিল। অস্ত্ৰধাৰী দুষ্কৃতিকাৰীক আঁতৰাই পঠিয়াবলৈ এলেকাটোত অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হৈছে।

ooooo

টেনিছত ভাৰতৰ সুমিত নাগালে ২৩ নম্বৰ স্থানত উপনীত হৈ প্ৰথমবাৰৰ বাবে এ টি পি একক ৰেংকিঙত শীৰ্ষ ১০০গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰিছে। কালি চেন্নাই অ'পেন চেলেঞ্জাৰ প্ৰতিযোগীতাত জয়লাভৰ পাছতে নাগালে এই কৃতিত্ব অৰ্জন কৰিছে। চেন্নাই অ'পেনৰ ফাইনেলত ইটালীৰ লুকা নাৰ্ডীক ৬-১, ৬-৪ ছেটত পৰাস্ত কৰি নগালে এই খিতাপ অৰ্জন কৰিছে। যোৱা মাহত

নাগালে তেতিয়াৰ বিশ্বৰ ২৭ নং স্থানৰ খেলুৱৈ কাজাখস্তানৰ আলেকজেণ্ডাৰ বুবলিকক পৰাস্ত কৰি গ্ৰেণ্ড শ্লেমত স্থানপ্ৰাপ্ত খেলুৱৈক পৰাস্ত কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হয়।

০০০০০

প্ৰ' কাবাডী লীগত কালি নিশা কলকাতাৰ নেতাজী ইনড'ৰ ষ্টেডিয়ামত বেংগল ৱাৰিয়ৰ্ছে ইউ মুম্বাক ৪৬-৩৪ পইন্টত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে একেখন ষ্টেডিয়ামতে জয়পুৰ পিংক পেন্থাৰছে ইউ পি য়োদ্ধাক ৬৭-৩০ পইন্টত পৰাস্ত কৰে।

০০০০০

সমাপ্ত